# অকুস্থল নামভৰ্তিকৰণৰ নিয়মাৱলী, ২০২৪-২০২৫

## সন্দিকৈ ছোৱালী মহাবিদ্যালয়

## তাৰিখ ২৯.৬.২০২৪ আৰু ১.৭.২০২৪

- অকুস্থল নামভৰ্তিকৰণ প্ৰক্ৰিয়া উচ্চ শিক্ষা সঞ্চালকালয়ৰ নিৰ্দেশাৱলী অনুযায়ী সম্পন্ন কৰা হ'ব। (সবিশেষ তলৰ লিংকত উপলব্ধ।)
  https://samarth-ac.s3.ap-south-1.amazonaws.com/assam/admissionhed24/notifications/bc7d57e0090dd6f13e771125a9ad72a1ecdc68edf2e4430417ac2bb64bd909331/17194637491_admission_docs.pdf
- বিভিন্ন বিষয়ৰ খালী থকা আসনৰ সংখ্যা মহাবিদ্যালয়ৰ ৱেবছাইটত উপলব্ধ হ'ব।

- অকুস্থল নামভৰ্তিকৰণ প্ৰক্ৰিয়া ২৯.৬.২০২৪ আৰু ১.৭.২০২৪ তাৰিখে দিনৰ ১০.০০ বজাৰপৰা ৪.০০ বজালৈ মহাবিদ্যালয় প্ৰাংগণত সম্পন্ন হ'ব। সিদিনা সাধাৰণ মেধাৰ ভিত্তিত প্ৰাৰ্থীসকলে লাভ কৰা শতাংশ নম্বৰ ঘোষণা কৰা হ'ব আৰু প্ৰথমে অহাসকলে অগ্ৰাধিকাৰ লাভ কৰিব। এই প্ৰক্ৰিয়াৰেই বিভিন্ন বিষয়ৰ খালী আসনসমূহত পৰ্যায়ক্ৰমে অসংৰক্ষিত আৰু সংৰক্ষিত শিতানত নামভৰ্তিকৰণ কৰা হ'ব।

- অকুস্থল নামভৰ্তিকৰণৰ দিনা কোনো প্ৰাৰ্থীৰ নামভৰ্তিকৰণ সুনিশ্চিত হোৱাৰ পিছতহে তেওঁ সমৰ্থ প'ৰ্টেলৰ যোগেদি নিৰ্দিষ্ট পাঠ্যক্ৰমৰ বাবে আবেদন কৰিব লাগিব। ঘোষণাৰ মুহূৰ্তত মেধা তালিকাৰ নিৰ্দিষ্ট শতাংশৰ নম্বৰ লাভ কৰা প্ৰাৰ্থীয়ে লগে লগে নামভৰ্তিকৰণ স্থলীত উপস্থিত হৈ নিজৰ আসন সুনিশ্চিত কৰিব লাগিব। প্ৰাৰ্থীগৰাকীয়ে নিৰ্ধাৰিত বিষয়সমূহ লাভ কৰাৰ পিছতেই সমৰ্থ প'ৰ্টেলৰ জৰিয়তে নতুনকৈ আবেদন কৰিব লাগিব আৰু আবেদন পত্ৰৰ 'প্ৰিণ্ট কপি' নামভৰ্তিকৰণ স্থলীত জমা দিব লাগিব।

- সন্দিকৈ ছোৱালী মহাবিদ্যালয়ৰপৰা উচ্চতৰ মাধ্যমিক উত্তীৰ্ণ হোৱা ছাত্ৰীসকলৰ বাবে ১০খন (৭খন কলা আৰু ৩খন বিজ্ঞান) আসন সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছে। অকুস্থল নামভৰ্তিকৰণৰ সময়তে তেনে প্ৰাৰ্থীৰপৰা আবেদন গ্ৰহণ কৰা হ'ব আৰু মেধাৰ ভিত্তিত নিৰ্বাচন কৰা হ'ব।

- কোনো প্ৰাৰ্থীয়ে মেধা তালিকাৰ নিৰ্দিষ্ট শতাংশৰ নম্বৰ ঘোষণাৰ মুহূৰ্ততে নামভৰ্তিকৰণ স্থলীত উপস্থিত হ'ব নোৱাৰিলে ঘোষিত বিষয়ৰ আসন সম্পূৰ্ণ হোৱাৰ পিছত দুনাই দাবী কৰিব নোৱাৰিব। তেনে প্ৰাৰ্থীক আন কোনো বিষয়ৰ খালী আসন নিৰ্বাচন কৰিবলৈ পৰামৰ্শ দান কৰা হ'ব।

- চলিত শিক্ষাবৰ্ষত ৰাজনীতি বিজ্ঞান গুৰু পাঠ্যক্ৰমৰ এখন আসন আৰু স্নাতক কলা শাখাৰ লঘু পাঠ্যক্ৰমৰ এখন আসন সন্দিকৈ ছোৱালী মহাবিদ্যালয়ৰ কৰ্মচাৰীৰ বাবে সংৰক্ষণ কৰা হৈছে।

Handique Girls' College Guwahati-781001

অধ্যক্ষ, সন্দিকৈ ছোৱালী মহাবিদ্যালয়
Handique Girls' College
Guwahati-781001